# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 30-05-2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***

অসমকে ধৰি উত্তৰ-পূবৰ বিভিন্ন ৰাজ্যত হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত ঠায়ে ঠায়ে স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত হৈছে। বিশেষকৈ গুৱাহাটী মহানগৰীত পৰহিৰে পৰা হোৱা বৰষুণৰ ফলত কৃত্ৰিম বানে জটিল ৰূপ ধাৰণ কৰিছে। ৰুক্মিণীগাঁও, চানমাৰি, জু-ৰোড, জি এছ ৰোড, বেলতলাৰ ছাৰ্ভে, হাতীগাঁও আদিকে ধৰি মহানগৰীৰ বিভিন্ন ঠাইত কৃত্ৰিম বানৰ কবলত পৰি জনজীৱন বিপৰ্যস্ত হৈ পৰিছে। ৰাজ্যিক দুৰ্যোগ প্ৰশমন বাহিনীয়ে ঠায়ে ঠায়ে জনসাধাৰণৰ যাতায়াতৰ বাবে নাৱৰ ব্যৱস্থা কৰাকে ধৰি সক্ৰিয় ভূমিকা পালন কৰা পৰিলক্ষিত হৈছে। নেৰানেপেৰা বৃষ্টিপাতৰ ফলত খাৰঘুলিৰ চিত্ৰাচল পথত ভূমিস্খলন হয়। পাহাৰৰ ওপৰৰ পৰা খহি পৰা মাটিয়ে এটা ঘৰৰ আধা অংশ পুতি পেলায়। মহানগৰীৰ জ্যোতিনগৰৰ আকাশীপথত থকা এটা বিদ্যুতৰ খুঁটা উভালি পৰে। প্ৰতিকূল বতৰৰ পৰিপ্ৰেক্ষিতত যিকোনো সহায়ৰ বাবে কামৰূপ মহানগৰ জিলা প্ৰশাসনে দুটা নম্বৰ মুকলি কৰিছে। ০৩৬১-১০৭৭ আৰু ৯৩৬৫৪২৯৩১৪ এই দুটা টোলফ্ৰী নম্বৰত কোনো সমস্যাৰ বাবে ৰাইজে ফোন কৰিব পাৰিব। যোৰাবাটৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰেৰে দুই-তিনিফুট পৰ্যন্ত পানী বাগৰাৰ ফলত উজনি আৰু নামনি অসমৰ মাজত যাতায়াত ব্যৱস্থা বিঘ্নিত হোৱা বুলি আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিছে। প্ৰবল বৃষ্টিপাতৰ ফলত কামৰূপ জিলাৰ উত্তৰ গুৱাহাটীৰ কেইবাটাও অঞ্চল কৃত্ৰিম বানৰ কবলত পৰিছে। বিশেষকৈ মধুপুৰ, অভয়পুৰ, কটাহবজাৰ, ৰহধলা আৰু কলবাৰীত কৃত্ৰিম বানৰ ফলত জনজীৱন ব্যাহত হৈ পৰিছে। প্ৰতিকূল বতৰৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী আৰু উত্তৰ-গুৱাহাটীৰ মাজৰ ফেৰী সেৱাও সাময়িকভাৱে বন্ধ ৰখা হৈছে।

০০০০০

অসম চৰকাৰৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজী জিলাত চৰকাৰৰ শিক্ষা বিভাগৰ বিভিন্ন আঁচনিৰ সুফলসমূহৰ বিষয়ে উল্লেখ কৰে। ধেমাজী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত নৱাগত আদৰণি সভাত অংশগ্ৰহণ কৰি ডাঃ পেগুৱে এই ঘোষণা কৰে। উল্লেখযোগ্য যে এই বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ সন্মিলনে প্ৰতিবছৰে প্ৰতিটো শ্ৰেণীৰ শীৰ্ষ ৩ গৰাকী ছাত্ৰ-ছাত্ৰীক বছৰেকত ছহেজাৰ টকাকৈ বৃত্তি প্ৰদান কৰি আহিছে। শিক্ষামন্ত্ৰী ডাঃ পেগুৱে প্ৰাক্তন ছাত্ৰ সন্মিলনৰ এই প্ৰচেষ্টাৰ শলাগ লয় আৰু বিদ্যালয়খনৰ শৈক্ষিক উৎকৰ্ষ সাধনৰ বাবে ই যথেষ্ট বৰঙণি আগবঢ়াইছে বুলিও প্ৰকাশ কৰে।

০০০০০

ৰাজ্য চৰকাৰে চাহ শ্ৰমিকসকলক পাঁচ হাজাৰ টকাকৈ বিশেষ সাহায্য প্ৰদানৰ বাবে প্ৰ-পত্ৰ বিতৰণ প্ৰক্ৰিয়া শীঘ্ৰে আৰম্ভ কৰিব। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সাংসদ, বিধায়ক আৰু জিলা আয়ুক্তসকলৰ

সৈতে দিছপুৰত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত আঁচনিখনৰ প্ৰস্তুতি পৰ্যালোচনা কৰি ইয়াৰ সফল ৰূপায়ণৰ বাবে মুখ্যমন্ত্ৰীগৰাকীয়ে সকলোকে নিৰ্দেশ দিয়ে।

০০০০০

অসম চাহ বাগিচা শ্ৰমিক বিত্তীয় সাহায্য আঁচনি ৰূপায়ণ সন্দৰ্ভত আজি তিনিচুকীয়া জিলা আয়ুক্ত কাৰ্যালয়ত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত স্বপ্নীল পালৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত সকলো যোগ্য হিতাধিকাৰীয়ে এই আঁচনিৰ সুবিধা লাভ কৰাটো নিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিষয়া আৰু বাগিচা কৰ্তৃপক্ষক নিৰ্দেশ দিয়া হয়। জিলা আয়ুক্তগৰাকীয়ে সকলো স্থায়ী আৰু অস্থায়ী বাগিচা শ্ৰমিকৰ সঠিক তথ্য সংগ্ৰহৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সভাত অতিৰিক্ত আয়ুক্ত, সহকাৰী শ্ৰম আয়ুক্ত আৰু পঞ্জীয়নভুক্ত চাহ বাগিচাৰ কৰ্তৃপক্ষৰ প্ৰতিনিধি উপস্থিত থাকে।

০০০০০

ডিব্ৰুগড় চৰকাৰী দন্ত চিকিৎসা মহাবিদ্যালয়ৰ উদ্যোগত আৰু ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদৰ অধীনত মডেল এম ৰানৰ বাবে এখন গুৰুত্বপূৰ্ণ সহবিকাশ কৰ্মশালা অনুষ্ঠিত হয়। অনন্ত মুচকান প্ৰকল্পৰ পুঁজিৰে প্ৰাথমিক বিদ্যালয়সমূহত দাঁত পৰিষ্কাৰ কৰা আৰু মুখৰ স্বাস্থ্য শিক্ষাৰ প্ৰসাৰৰ বিষয়ে এই কৰ্মশালাত গুৰুত্ব আৰোপ কৰা হয়। এই কৰ্মশালাত অনন্ত মুচকান প্ৰকল্পৰ বিষয়া তথা নতুন দিল্লীৰ আই চি এম আৰৰ মুখ্য কাৰ্যালয়ৰ বিজ্ঞানী ড০ নীতিকা মংগাই প্ৰকল্পটোৰ ওপৰত আলোকপাত কৰে।

০০০০০

ৰাজ্যৰ আন আন জিলাৰ লগতে শিৱসাগৰত বিকশিত কৃষি সংকল্প অভিযান আৰম্ভ হৈছে। জিলাৰ মুখ্য কাৰ্যবাহী বিষয়া সতীশ চন্দ্ৰ ঠাকুৰীয়াই সজাগতা বাহনৰ পতাকা জোকাৰি আৰু বন্তি প্ৰজলনেৰে এই অভিযানৰ শুভাৰম্ভ কৰে। কৃষি সংকল্প অভিযান উপলক্ষে নিতাইপুখুৰীত আয়োজিত সজাগতা সভাত শিৱসাগৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ডং অৰুন্ধতী বৰদলৈয়ে ভাষণ আগবঢ়ায়। অনুষ্ঠানত থাওৱা বিধানসভা সমষ্টিৰ বিধায়িক সুশান্ত বৰগোঁহাই, জিলা কৃষি বিষয়া, সহকাৰী কৃষি সঞ্চালক আদি ব্যক্তিসকল উপস্থিত থাকে।

০০০০০

শিৱসাগৰ জিলা প্ৰশাসনে এটা প্ৰেছ বিবৃতিৰ জৰিয়তে জিলা প্ৰশাসন আৰু জনসাধাৰণক ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ দ্বাৰা প্ৰস্তুত কৰা চাচেট মোবাইল এপ ব্যৱহাৰৰ বাবে আহ্বান জনাইছে। এই এপৰ জৰিয়তে বতৰৰ আগলিবতৰা আৰু সতৰ্কবাণী অতি সহজে লাভ কৰিব পাৰি। জিলাখনৰ ৰাজহ আৰু দুৰ্যোগ বিভাগৰ বিষয়া কৰ্মচাৰী, অন্যান্য বিভাগৰ কৰ্মচাৰী আৰু স্বেচ্ছাসেৱকসকলকো এই এপ ব্যৱহাৰ কৰাৰ বাবে জিলা প্ৰশাসনে আহ্বান জনাইছে।

০০০০০

হোজাই জিলাত আজি জিলা প্ৰশাসনৰ উদ্যোগত বান প্ৰস্তুতি সন্দৰ্ভত এখন সভা অনুষ্ঠিত হয়। জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত বানৰ সময়ত ল'বলগীয়া সাৱধানতা আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীৰ ভূমিকা সন্দৰ্ভত আলোচনা কৰা হয়। সভাখনত জিলা প্ৰশাসনৰ বিভিন্ন বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০